# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-03-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***

**::::::::::::::::::::::::::::::::::::::::**

## Headlines

১। ৰাজ্যৰ বিভিন্ন ঠাইত আজি দৌল উৎসৱৰ সামৰণি। বৰপেটা দৌল উৎসৱৰ আজি অন্তিম দিন। সত্ৰৰ চৌহদত ভক্তগণৰ পৰম্পৰাক ৰং সানি সমূহীয়া ফাকু উৎসৱ পালন।

২। সমাগত লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে আজি কেইবাগৰাকীও প্ৰাৰ্থীৰ মনোনয়ন দাখিল।

৩। গুৱাহাটীৰ সৰুসজাইৰ ইন্দিৰা গান্ধী এথলেটিকছ্ ষ্টেডিয়ামত আজি ভাৰত-আফগানিস্তানৰ মাজত ২০২৬ত হ'বলগীয়া ফিফা বিশ্বকাপৰ যোগ্যতা নিৰ্ণয়কাৰী খেল।

*আৰু*

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি চেন্নাই ছুপাৰ কিংছ, গুজৰাট টাইটানছৰ মুখামুখি।

0000000

বৰপেটা সত্ৰত তিনিদিনীয়াকৈ অনুষ্ঠিত দৌল মহোৎসৱত আজি তৃতীয় তথা অন্তিম দিন। কালি মাজনিশা কলীয়া গোসাঁইক দৌল গৃহৰ পৰা নমোৱা হয়। আজি গোটেই দিনটো বৰপেটা সত্ৰৰ মূল গৃহত নিৰ্দিষ্ট স্থানত গোসাঁইক ৰখা হ'ব। দিনজোৰা কাৰ্যসূচীৰে আজি ভক্তগণে বৰপেটা সত্ৰত ফাকুৱা খেলাৰ পাছত কলীয়া গোসাঁইক কনৰা সত্ৰৰ ঘুনুচা গৃহলৈ লৈ যাব। তাত গোসাঁইক হেকেটা খুওৱাৰ পৰম্পৰা পালন কৰাৰ পাছত পুনৰ বৰপেটা সত্ৰলৈ লৈ অহা হ'ব। তাত বাঁহ ভঙা পৰ্ব অনুষ্ঠিত কৰাৰ পিছত গোসাঁইক মূলগৃহৰ চৌহদত ৭ পাক প্ৰদক্ষিণ কৰোৱা হ'ব। বৰপেটা সত্ৰত কলীয়া গোসাঁইৰ লগতে বাৰাদী সত্ৰৰ গোসাঁইকো প্ৰদক্ষিণ কৰোৱা হ'ব। বাৰাদী সত্ৰৰ গোসাঁইৰ বিবাদ পৰ্ব অনুষ্ঠিত হোৱাৰ পাছত বৰপেটা সত্ৰৰ গোসাঁইক মূল গৃহত প্ৰৱেশ কৰোৱাৰ পূৰ্বে লক্ষ্মীদেৱীৰ ভক্তগণৰ মাজত প্ৰতিকী তৰ্কযুদ্ধ অনুষ্ঠিত হ'ব। ইয়াৰ পাছতে গোসাঁইক মূল গৃহত পুনৰ প্ৰৱেশ কৰোৱা হ'ব।

মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই কালি সত্ৰখনত উপস্থিত হৈ দৌল উৎসৱত অংশগ্ৰহণ কৰে। তেওঁ সত্ৰৰ গুৰু আসনৰ সন্মুখত সাষ্টাংগে সেৱা জনাই আৰ্শীবাদ গ্ৰহণ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে স্থানীয় লোকৰ সৈতে মত বিনিময়ো কৰে। বহুসংখ্যক লোকে তেওঁক ফাকু সানি শুভেচ্ছা জনায়। দৌল মহোৎসৱত অংশগ্ৰহণ কৰিবলৈ পোৱাটো তেওঁৰ বাবে সৌভাগ্য বুলিও মন্তব্য কৰে। সত্ৰখনৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে চৰকাৰে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিব বুলিও ডº শৰ্মাই প্ৰকাশ কৰে।

0000000

ৰাজ্যৰ আন আন প্ৰান্তৰ লগতে কামৰূপ জিলাতো দৌল উৎসৱৰ উৎসাহ-উদ্দীপনা বিৰাজ কৰিছে। প্ৰতি বছৰৰ দৰে এইবাৰো উত্তৰ গুৱাহাটীৰ ঐতিহ্য মণ্ডিত দৌলগোবিন্দ মন্দিৰত ৫ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে

দৌল উৎসৱৰ আয়োজন কৰা হৈছে। আজি পুৰা পৰম্পৰাগতভাৱে মহাপ্ৰভুক স্নান কৰোৱাৰ পাছত ভকতসকলৰ নাম-প্ৰসংগ আৰু ভাগৱত পাঠ আৰম্ভ হৈছে। ইয়াৰ পাছতে মহাপ্ৰভুৰ মহাপূজা আয়োজন কৰা হ'ব। দিনৰ ভাগত আয়তীৰ নাম, হোম-যজ্ঞ, আৰতি, প্ৰসাদ বিতৰণ আৰু সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এইবাৰ দৌলগোবিন্দ মন্দিৰৰ ফাকু উৎসৱত দেশৰ বিভিন্ন প্ৰান্তৰ পৰা দৈনিক প্ৰায় ২৫ হাজাৰ ভক্তৰ সমাগম হৈছে বুলি মন্দিৰ পৰিচালনা সমিতিয়ে জানিবলৈ দিছে। ইপিনে জিলাখনৰ বিভিন্ন প্ৰান্তৰ মঠ-মন্দিৰ আৰু দেৱালয়সমূহত মহাপ্ৰভুক নগৰ পৰিভ্ৰমণ কৰোৱাৰ পাছত দৌল উৎসৱৰ সামৰণি পৰিব।

০০০০০০০

কেন্দ্ৰীয় আয়ুষ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ডিব্ৰুগড় সমষ্টিত আজি বিজেপিৰ প্ৰাৰ্থী হিচাপে মনোনয়ন দাখিল কৰিব। বিজেপিৰ ৰাজ্যিক মুখ্যকাৰ্যালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে আজি আৰু কাইলৈৰ ভিতৰত কমেও ৫ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিব। ভাৰতীয় জনতাপাৰ্টীয়ে আসন্ন লোকসভা নিৰ্বাচনত দলীয় তথা মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলক বিজয়ী কৰাবলৈ বিস্তৃত ব্যৱস্থা গ্ৰহণ কৰিছে। এই সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই দলীয় আৰু মিত্ৰজোঁটৰ নেতা-কৰ্মীসকলৰ সৈতে কেইবাখনো বৈঠকত মিলিত হৈছে। আজি লখিমপুৰ সমষ্টিত বিজেপিৰ প্ৰাৰ্থী প্ৰদান বৰুৱায়ো মনোনয়ন পত্ৰ দাখিল কৰিব। তদুপৰি কাইলৈ যোৰহাটত তপন কুমাৰ গগৈ, কাজিৰঙাত কামাখ্যা প্ৰসাদ তাছা আৰু তেজপুৰত ৰঞ্জিত দত্তই সংশ্লিষ্ট জিলাৰ আয়ুক্তৰ কাৰ্যালয়ত উপস্থিত হৈ নিজৰ নিজৰ মনোনয়নপত্ৰ দাখিল কৰিব। মনোনয়ন পত্ৰ দাখিলৰ সময়ত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ ৰাজ্যিক সভাপতি ভবেশ কলিতা, অগপৰ সভাপতি অতুল বৰা, অগপৰ কাৰ্যকৰী সভাপতি কেশৱ মহন্ত, সাংসদ বিৰেন্দ্ৰ কুমাৰ বৈশ্য, ইউ পি পি এৰ সভাপতি প্ৰমোদ বড়োৰ লগতে স্থানীয় বিধায়কসকল আৰু মিত্ৰজোঁটৰ বহুসংখ্যক নেত-কৰ্মী উপস্থিত থাকিব।

দৌল উৎসৱ তথা ফাকুৱা উপলক্ষে দুটা দিন বন্ধ থকাৰ পৰিপ্ৰেক্ষিতত আজি মনোনয়ন দাখিল প্ৰক্ৰিয়াই গতি লাভ কৰিব। প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ মনোনয়ন দাখিলৰ কাইলৈ অন্তিম দিন আৰু পৰহিলৈ মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। এই পৰ্যায়ৰ বাবে মনোনয়নপত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ৩০ মাৰ্চ ধাৰ্য্য কৰা হৈছে।

কংগ্ৰেছ তথা বিৰোধী ঐক্যমঞ্চৰ কেইবাগৰাকী প্ৰাৰ্থীয়েও আজিৰে পৰা মনোনয়ন পত্ৰ দাখিল কৰিব। আজি যোৰহাট লোকসভা সমষ্টিৰ কংগ্ৰেছৰ প্ৰাৰ্থী গৌৰৱ গগৈয়ে মনোনয়ন দাখিল কৰিব। আনহাতে কাজিৰঙা সমষ্টিৰ প্ৰাৰ্থী ৰ'জলীনা তিৰ্কীয়েও আজি মনোনয়ন পত্ৰ দাখিল কৰিব। কাইলৈ লখিমপুৰৰ কংগ্ৰেছ প্ৰাৰ্থী উদয় শংকৰ হাজৰিকা আৰু ডিব্ৰুগড়ৰ বিৰোধী ঐক্যমঞ্চৰ প্ৰাথী লুৰিনজ্যোতি গগৈয়েও মনোনয়ন দাখিল কৰিব। আটাইকেইগৰাকী প্ৰাৰ্থীৰে মনোনয়ন দাখিলৰ সময়ত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰা উপস্থিত থাকিব।

০০০০০০০

আসন্ন লোকসভা নিৰ্বাচনৰ বাবে ৰাজ্যত কংগ্ৰেছ, বিজেপিকে ধৰি ৰাজনৈতিক দলসমূহে নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে। যোৰহাট লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী তপন কুমাৰ গগৈৰে পূৰ্বপুৰুষক সেৱা জনাই নিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰিছে। তেওঁ সোণাৰী, মাহমৰা বিধানসভা সমষ্টিৰ লগতে গেলেকী আৰ মৰিয়ণিত ভালেকইখন নিৰ্বাচনী সভাত কালি অংশগ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই উন্নয়নমূলক কাম-কাজৰ বাবে সমাগত নিৰ্বাচনত জনসাধাৰণে বিজেপিক ভোট দিব বুলি তেওঁ মন্তব্য কৰে।

আনহাতে, মন্ত্ৰী পিয়ুষ হাজৰিকাই কালি শিৱসাগৰত তপন গগৈৰ হৈ  কেইবাখনো নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। দ্ৰুত উন্নয়নৰ বাবে ৰাইজে আকৌ নৰেন্দ্ৰ মোদী নেতৃত্বাধীন বিজেপিক ভোট দিব লাগে বুলি তেওঁ মন্তব্য কৰে। নিৰ্বাচনী সভাত তেওঁ অৰ্জুনগুৰি অঞ্চলৰ বান সমস্যা সমাধানৰ বাবে ৰিং বান্ধ নিৰ্মাণ কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দিয়ে। মন্ত্ৰীগৰাকীয়ে তপন গগৈৰ হৈ ৯খন সভাত অংশগ্ৰহণ কৰি নিৰ্বাচনী প্ৰচাৰ চলায়। ইয়াৰ সমান্তৰালকৈ কংগ্ৰেছ প্ৰাৰ্থী গৌৰৱ গগৈয়েও সমষ্টিটোত প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। যোৰহাট, শিৱসাগৰ জিলাৰ কেইবখনো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি সমাগত নিৰ্বাচনত যোৰহাটবাসীয়ে তেওঁক সাংসদ নিৰ্বাচিত কৰিব বুলি আশা ব্যক্ত কৰে।

একেদৰে কোকৰাঝাৰ লোকসভা সমষ্টিৰ তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী গৌৰীশংকৰ শৰণীয়াই তামুলপুৰত নিৰ্বাচনী প্ৰচাৰ চলায়। তেওঁ সাংবাদিকৰ আগত তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থীৰ জয় নিশ্চিত বুলি মন্তব্য কৰে।

০০০০০০০

নিৰ্বাচন আয়োগে আসন্ন লোকসভা আৰু বিধানসভা নিৰ্বাচন পৰিৱেশ অনুকূল কৰি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। আয়োগে নিৰ্বাচন সংক্ৰান্তীয় নথি-পত্ৰ তথা ভোটদাতাৰ তালিকাৰ বাবে কাগজৰ ব্যৱহাৰ হ্ৰাস কৰিবলৈ ৰাজনৈতিক দলসমূহৰ লগতে সংশ্লিষ্ট কৰ্তৃপক্ষসমূহলৈ নিৰ্দেশনা জাৰি কৰিছে। আয়োগে ই-বুক তথা ই-ডকুমেণ্টৰ ব্যৱহাৰৰ লগতে কাগজৰ দুয়ো পিঠি ব্যৱহাৰ আৰু সঠিক বিন্যাসৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। আসন্ন নিৰ্বাচনৰ সময়ত যোগাযোগৰ বাবে বৈদ্যুতিক মাধ্যম ব্যৱহাৰ কৰিবলৈ সকলোকে উৎসাহিত কৰাৰ উদ্দেশ্যে এই নিৰ্দেশনাসমূহ জাৰি কৰা হৈছে। লগতে আয়োগে পৰিৱেশ অনুকূলভাৱে নিৰ্বাচন অনুষ্ঠিত কৰাৰ উদ্দেশ্যে সংশ্লিষ্ট কৰ্তৃপক্ষ তথা ৰাজনৈতিক দলসমূহলৈ আসন্ন নিৰ্বাচনৰ সময়ছোৱাত এবাৰ ব্যৱহাৰযোগ্য প্লাষ্টিক এৰাই চলাৰ লগতে আৱৰ্জনা নিষ্কাশনৰ পৃথক ব্যৱস্থা তথা অনাময় ব্যৱস্থা সুনিশ্চিত কৰিবলৈ নিৰ্দেশ দিছে। তদুপৰি সকলো ধৰণৰ আৱৰ্জনা নিষ্কাশন সঠিক ধৰণে কৰা, পৰিবহণৰ বাবে পৰিৱেশ অনুকূল বাহন ব্যৱহাৰ কৰাৰ লগতে যাতায়াতৰ বাবে ৰাজহুৱা পৰিবহণৰ ব্যৱহাৰৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হৈছে। নিৰ্বাচনী প্ৰচাৰ কাৰ্যৰ বাবে নৱীকৰণযোগ্য শক্তিৰ ব্যৱহাৰক উৎসাহিত কৰিবলৈও ৰাজনৈতিক দলসমূহক নিৰ্দেশ দিয়া হৈছে।

০০০০০০০

পিপলছ্ ডেম'ক্ৰেটিক এলায়েন্স, পি ডি এ-য়ে নাগালেণ্ডৰ একমাত্ৰ লোকসভা আসনখনৰ বাবে অহা ১৯ এপ্ৰিলত হ'বলগীয়া নিৰ্বাচনৰ প্ৰচাৰ অভিযান আৰম্ভ কৰিছে। পি ডি এয়ে সৰ্বসন্মতিক্ৰমে নাগালেণ্ডৰ মুখ্যমন্ত্ৰীৰ বৰ্তমানৰ উপদেষ্টা তথা প্ৰাক্তন মন্ত্ৰী ড০ চুবেন মুৰীক প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিছে। ৰাজ্যখনৰ চুমোকেডিমা জিলাত মুখ্যমন্ত্ৰী তথা এন ডি পি পিৰ জ্যেষ্ঠ নেইফিউ ৰিঅ'য়ে নিৰ্বাচনী প্ৰচাৰ অভিযান মুকলি কৰে। চৰকাৰ নগা ৰাজনৈতিক বিষয় সমাধান কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ বুলি উল্লেখ কৰি তেওঁ কয় যে, সকলো ৰাজনৈতিক দলক প্ৰতিনিধিত্ব কৰা ৬০গৰাকী বিধায়কে এগৰাকী উমৈহতীয়া প্ৰাৰ্থীৰ প্ৰতি সমৰ্থন আগবঢ়োৱাৰ জৰিয়তে যিকোনো সমস্যা সমাধান কৰা হকে এখন মঞ্চ গঢ়ি উঠিব। নাগালেণ্ড নেচনেল কংগ্ৰেছ কমিটি এন পি চি চিয়ে আই এন চিৰ প্ৰাৰ্থী এছ চুপংমেৰেন জমিৰক আজি আনুষ্ঠানিকভাৱে প্ৰাৰ্থিত্ব প্ৰদান কৰিব। তাৰ পাছত প্ৰাৰ্থীগৰাকীয়ে মনোনয়ন পত্ৰ দাখিল কৰিব।

০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি অসম, অৰুণাচল প্ৰদেশ আৰু মেঘালয়ত প্ৰবল বৃষ্টিপাতৰ সম্ভাৱনা আছে বুলি এখন জাননী জাৰি কৰিছে। লগতে চুবুৰীয়া নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, ছিক্কিম আৰু

পশ্চিমবংগৰ কিছু অঞ্চলত পাতলীয়াৰ পৰা মজলীয়া বৃষ্টিপাতৰ সম্ভাৱনা আছে বুলি ভাৰতীয় বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিছে।

০০০০০০০

দৌল উৎসৱৰ সমান্তৰালকৈ কলিয়াবৰৰ হাটবৰত হাজাৰী ভাওনা উৎসৱ অনুষ্ঠিত হৈছে। দুদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা এই ভাওনা উৎসৱত একেলগে চাৰিখন খোলাত দুটা নিশাত ৮খন ভাওনা প্ৰদৰ্শন কৰা হয়। হাটবৰৰ হাজাৰী দৌল মন্দিৰৰ প্ৰাংগণত এই ভাওনা উৎসৱত চাবলৈ সহস্ৰাধিক ৰাইজে ভিৰ কৰে। উল্লেখযোগ্য যে অষ্টাদশ শতিকাৰ মাজভাগৰ পৰা কলিয়াবৰৰ হাটবৰত হাজাৰী ভাওনা উৎসৱ অনুষ্ঠিত হৈ আহিছে। কিন্তু বিভিন্ন কাৰণত বিগত ২০ বছৰ ধৰি এই ভাওনা অনুষ্ঠিত হোৱা নাছিল। সুদীৰ্ঘ বিৰতিৰ পিছত অনুষ্ঠিত হোৱা ভাওনা উৎসৱ উপলক্ষে হাটবৰত উৎসৱমুখৰ পৰিৱেশ সৃষ্টি হয়।

০০০০০০০

গুৱাহাটী আই আই টিৰ এজন ছাত্ৰ নিষিদ্ধ ঘোষিত ইছলামিক সংগঠন আই এছ্ আই এছলৈ যোৱাৰ তথ্য লাভ কৰাৰ পিছতে অসম আৰক্ষী সস্তম হৈ পৰিছে। এই সন্দৰ্ভত কালি নিশা আৰক্ষীৰ কেইবাগৰাকীও শীৰ্ষ বিষয়া আৰক্ষীৰ বিশেষ কৰ্মবাহিনী অৰ্থাৎ এছ্ টি এফৰ কাৰ্যালয়ত গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। এই বৈঠকলৈ এছ্ টি এফৰ সকলো বিষয়াক তলব কৰি বিষয়টোৰ সন্দৰ্ভত বিতং আলোচনা কৰা হয়। অসমত আই এছ্ আই এছৰ জাল ৰুধিবলৈ আৰক্ষী বিষয়াসকল কেনেদৰে সস্তম হ'ব লাগিব সেই সন্দৰ্ভত বিতং পৰ্যালোচনা কৰা হয়। উল্লেখযোগ্য যে, গুৱাহাটী আই আই টিৰ এজন ছাত্ৰ আই এছ্ আই এছলৈ যোৱাৰ তথ্য লাভ কৰাৰ পাছত ছাত্ৰজনক হাজোৰ পৰা অসম আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। ইফালে, বিভিন্ন অনলাইন মাধ্যমেৰে অসমত আই এছ্ আই এছৰ সদস্য ভৰ্তিৰ পৰিকল্পনাৰ তথ্য এন আই এৰ হাতত আছিল। এন আই এৰ এই তথ্যৰ ভিত্তিতে বুধবাৰে আই এছ্ আই এছৰ দুই শীৰ্ষ নেতাক অসম আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল।

০০০০০০০

অযোধ্যাৰ শ্ৰীৰাম জনমভূমি মন্দিৰত হোলী উপলক্ষে বহু সংখ্যক ভক্তৰ সমাগম হয়। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত শ্ৰীৰাম জনমভূমি তীৰ্থক্ষেত্ৰই প্ৰকাশ কৰা অনুসৰি ভক্তসকলে ৰাম মন্দিৰৰ ভিতৰত ৰংগোৎসৱ পালন কৰে। ৰাম মন্দিৰত প্ৰাণ প্ৰতিষ্ঠা হোৱাৰ পাছত হনুমানগৰ্হি মন্দিৰত থকা উপাস্য দেৱতাক ৰং সনাৰ জৰিয়তে প্ৰথম **ৰংভৰী একাদশীৰ** দিনটোত ৰংগোৎসৱ আৰম্ভ হয়। ভক্তসকলে ফাকুৱা উদযাপনৰ সমান্তৰালকৈ ভক্তিমূলক গীতো পৰিৱেশন কৰে। তেওঁলোকে শ্ৰীৰাম জনমভূমি মন্দিৰৰ ভিতৰত পৰস্পৰক ৰং সানে।

০০০০০০০

দেশৰ নিৰ্বাচন আয়োগে নিৰ্বাচন স্বচ্ছ, মুক্ত আৰু নিকাকৈ পৰিচালনাৰ বাবে চি ভিজিল নামৰ এটা উদ্ভাৱনীমূলক মোবাইল এপ্লিকেশ্বন ব্যৱহাৰ কৰি আহিছে। চি ভিজিল অৰ্থাৎ ভিজিলেণ্ট ছিটিজেন শীৰ্ষক এই এপ্লিকেশ্বনৰ সহায়ত জনসাধাৰণে নিজৰ মোবাইলত সহজে নিৰ্বাচনী আচৰণ বিধি উলংঘা সম্পৰ্কীয় ঘটনাৰ তথ্য, দৃশ্য বা শ্ৰব্যৰূপতো আয়োগক প্ৰদান কৰিব পাৰে। এই এপটোৰ বিশেষত্ব হৈছে ইয়াৰ সহায়ত স্বতঃস্ফূৰ্তভাৱে নিৰ্দিষ্ট স্থানৰ পৰা পোনপতীয়াকৈ ফটো বা ভিডিঅ' পঠিয়াব পৰা যায়। ইয়াৰ ফলত ফ্লাইং স্কোৱাদ বা নিৰীক্ষণকাৰী আৰক্ষীৰ দলসমূহে এনে ঘটনা ততালিকে ধৰা পেলোৱাৰ বাবে সমল লাভ কৰে। যিকোনো স্মাৰ্ট ফোনত এই এপটো ডাউনলোড কৰি জনসাধাৰণে সহজে ব্যৱহাৰ কৰিব পাৰে। তেওঁলোকে

লগতে যিকোনো ধৰণৰ ৰাজনৈতিক অসাধু আচৰণ, ভোটাৰক প্ৰলোভিত কৰিবলৈ সামগ্ৰী প্ৰদান বা বিভিন্ন ধৰণে প্ৰৰোচিত কৰাৰ প্ৰমাণ এই এপযোগে প্ৰেৰণ কৰিব পাৰে। এই ক্ষেত্ৰত তথ্য প্ৰেৰণ কৰোতাগৰাকীৰ নাম পৰিচয় আদি গোপনে ৰখা হ'ব বুলিও আয়োগে প্ৰতিশ্ৰুতি দিয়ে।

ooooooooo

ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদে কালি পেলেষ্টাইনৰ গাজাত যুদ্ধ বিৰতিৰ আহ্বান জনাই এটা প্ৰস্তাৱ গ্ৰহণ কৰে। পৰিষদে লগতে সকলো যুদ্ধ বন্দীকে অতি শীঘ্ৰে আৰু চৰ্ত বিহীনভাৱে মুকলি কৰি দিবলৈ উভয় পক্ষকে দাবী জনায়। উল্লেখযোগ্য যে, বিগত বৰ্ষৰ অক্টোবৰ মাহত ইজৰাইল আৰু পেলেষ্টানৰ হামাছ উগ্ৰপন্থীৰ মাজত আৰম্ভ হোৱা যুদ্ধৰ পিছত প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদে এই যুদ্ধ বিৰতিৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে।

ooooooooo

গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়ামত আজি ভাৰত আৰু আফগানিস্তানৰ মাজত ২০২৬ত হ'বলগীয়া ফিফা বিশ্বকাপ আৰু ২০২৭ত হ'বলগীয়া এছিয়া কাপ ফুটবলৰ যোগ্যতা নিৰ্ণয়কাৰী খেলখন অনুষ্ঠিত হ'ব। নিশা ৭ বজাত হ'বলগীয়া এই খেলখনৰ সকলো প্ৰস্তুতি অসম ফুটবল সন্থাই সম্পূৰ্ণ কৰি তুলিছে। ইফালে এই খেলখনতে ভাৰতীয় দলৰ অধিনায়ক সুনীল চেত্ৰীয়ে আন্তৰ্জাতিক কেৰিয়াৰৰ ১৫০ সংখ্যক খেলখনত অংশ ল'ব।

ooooooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম. এ. চিদাম্বৰম ষ্টেডিয়ামত গুজৰাট টাইটানছ, চেন্নাই ছুপাৰ কিংছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া ৭ বাজি ৩০ মিনিটৰ পৰা আৰম্ভ হ'ব।

ইপিনে, কালি নিশা বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত ৰয়েল চেলেঞ্জাৰছ বেংগালুৰুৱে পঞ্জাব কিংছক ৪ উইকেটত পৰাস্ত কৰে। খেলখনত পঞ্জাব কিংছে ১৭৭ ৰানৰ লক্ষ্য বান্ধি দিছিল। ৰয়েল চেলেঞ্জাৰছে ১৯ অভাৰ আৰু দুটা বলত ৬ উইকেটৰ বিনিময়ত ১৭৮ ৰান সংগ্ৰহ কৰি জয়লাভ কৰে। দলটোৰ হৈ বিৰাট কোহলিয়ে সৰ্বাধিক ৭৭ ৰান সংগ্ৰহ কৰাৰ লগতে দীনেশ কাৰ্তিকে ২৮ ৰানৰ বৰঙণি আগবঢ়ায়। পঞ্জাব কিংছৰ হৈ কাগিছ' ৰাবাদা আৰু হৰপ্ৰীত ব্ৰাৰে দুটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ৰয়েল চেলেঞ্জাৰছ বাংগালুৰুৱে টছত জয়লাভ কৰি বলিং কৰাৰ সিদ্ধান্ত লৈছিল। পাঞ্জাব কিংছে নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৭৬ ৰান সংগ্ৰহ কৰে। অধিনায়ক শিখৰ ধাৱানে খেলখনত সৰ্বাধিক ৪৫ ৰান সংগ্ৰহ কৰাৰ বিপৰীতে গ্লেন মেক্সৱেল আৰু মহম্মদ চিৰাজে দুটাকৈ উইকেট দখল কৰে। বিৰাট কোহলিক খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে ঘোষণা কৰা হয়।

ooooooooo

যোৰহাট জিলাৰ কাকজান মহাবিদ্যালয়ৰ সমাজ বিজ্ঞান বিভাগৰ প্ৰাক্তন অধ্যাপক ৰোহিত শইকীয়াৰ যোৱানিশা হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭০ বছৰ। শিক্ষাবিদজনৰ মৃত্যুত অঞ্চলটোত শোকৰ ছা পৰিছে।

ooooooooo

বাক্সা জিলাৰ নিবাসী প্ৰবীণ মুক্তিযুঁজাৰু জিতেন্দ্ৰ নাথ শৰ্মাৰ কালি বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ১০১ বছৰ। কালি মুক্তিযুঁজাৰুজনৰ শেষকৃত্য ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হয়। ১৯৪২ চনত ভাৰত ত্যাগ আন্দোলনত কাৰাবাস খটা শৰ্মাই মহাত্মা গান্ধীৰো সান্নিধ্য লাভ কৰিছিল।

ooooooooo

**সমাপ্ত**